# গুৱাহাটী পৌৰ নিগম

## পানবজাৰ, গুৱাহাটী

### প্ৰেছ বিজ্ঞপ্তি

**নথি নম্বৰ GPL/Misc/37/2010** তাৰিখ

সংশ্লিষ্ট সকলোকে জনোৱা যায় যে গুৱাহাটী পৌৰ নিগমৰ দ্বাৰা গৃহ-নিৰ্মাণৰ অনুমতি-প্ৰদানৰ প্ৰণালীটো ইতিমধ্যে অনলাইন ব্যৱস্থালৈ উন্নীত কৰা হৈছে। নতুন আবেদনৰ ক্ষেত্ৰত এই ব্যৱস্থাৰ জৰিয়তে অনুমতি-পত্ৰসমূহ দি থকা হৈছে। কিন্তু দেখা গৈছে যে বিভিন্ন কাৰিকৰী আসোঁৱাহ আৰু প্ৰয়োজনীয় তথ্য-পাতিৰ অসম্পূৰ্ণতাৰ কাৰণে নিৰ্মাণৰ অনুমতি প্ৰদান কৰিব নোৱাৰা কিছুসংখ্যক নথি আবেদনকাৰীসকলে সংশোধিত নক্সা বা তথ্য-পাতি জমা নিদিয়াৰ ফলত দীৰ্ঘদিন ধৰি পৌৰ নিগমৰ কাৰ্যালয়ত পৰি আছে।

সেয়েহে এক বিশেষ কাৰ্যক্ৰমণিকাৰ আধাৰত পৌৰনিগমে এই নথি সমূহৰ ক্ষেত্ৰত এক নিৰ্দিষ্ট সময়-সীমাৰ ভিতৰত চূড়ান্ত সিদ্ধান্ত লবলৈ ঠিৰাং কৰিছে।

এনেধৰণে মীমাংসা নোহোৱাকৈ পৰি ৰোৱা আবেদন সমূহৰ সকলো আবেদনকাৰীকে অহা ১০ জুনৰ ভিতৰত কাৰিকৰী আঁহোৱাহ-মুক্ত নক্সা আৰু প্ৰয়োজনীয় তথ্য-পাতিসমূহ কাৰ্যালয়ত জমা দি তেখেতলোকৰ আবেদন সমূহ নিষ্পত্তি কৰাত পৌৰনিগমক সহায় কৰিবলৈ আহ্বান জনোৱা হ'ল। আবেদনকাৰীসকলে গুৱাহাটী পৌৰ নিগমৰ উজান বজাৰৰ কাৰ্যালয়ত থকা হেল্প-ডেস্কত সংশোধিত নক্সা আৰু কাগজ-পত্ৰ কাৰ্যালয় চলি থকা যিকোনো সময়ত জমা দিব পাৰিব। এই সকলোবোৰ আবেদন-পত্ৰ অহা জুন মাহৰ ১৪ আৰু ১৫ তাৰিখে, পৌৰ নিগমৰ উজানবজাৰ কাৰ্যালয়ত অনুষ্ঠিত হ'ব লগা এক শুনানি-যোগে মীমাংসা কৰা হ'ব। সেয়েহে আবেদনকাৰীসকলক উক্ত শুনানিত উপস্থিত থাকিবলৈ আহ্বান জনোৱা হ'ল।

অহা ১৫ জুনৰ পিচত অমীমাংসিত হৈ ৰোৱা সকলো আবেদন স্থায়ীভাৱে নাকচ কৰা হ'ব আৰু ইচ্ছুক আবেদনকাৰীসকলে সম্পূৰ্ণ নতুনকৈ অন্‌লাইন ব্যৱস্থাৰ যোগে আবেদন কৰিব লাগিব।

ইতিমধ্যে অনুমোদিত হৈ পৰি থকা গৃহ-নিৰ্মাণৰ অনুমতি-পত্ৰসমূহ যাৱতীয় মাচুল জমা দি নিগমৰ কাৰ্যালয়ৰ পৰা অতি সোনকালে সংগ্ৰহ কৰিবলৈয়ো সংশ্লিষ্ট আবেদনকাৰীসকলক জনোৱা হ'ল। এনেদৰে দীৰ্ঘদিন পৰি থকা অনুমতি-পত্ৰসমূহ অহা ৩০ জুনৰ ভিতৰত সংগ্ৰহ নকৰিলে বিভাগীয়ভাবে সেই অনুমতি-পত্ৰ নাকচ কৰা হ'ব।

25/5/2015

আয়ুক্ত
গুৱাহাটী পৌৰনিগম
পানবজাৰ, গুৱাহাটী

Scanned by CamScanner